**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-01-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin

১। ৰাজ্যৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হৰমিত সিঙৰ আজি দায়িত্বভাৰ গ্ৰহণ।

২। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩। ৰাজ্য চৰকাৰৰ অসমক বিনিয়োগৰ থলী আৰু দেশৰ শীৰ্ষৰ ৰাজ্যসমূহৰ অন্যতমৰূপে গঢ়ি তোলাৰ লক্ষ্য।

৪। ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ সৌজন্যত কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ মধুপুৰ উৎসৱ।

*আৰু*

৫। লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা আৰম্ভ।

oooooo

ৰাজ্যৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হৰমিত সিঙে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত হৰমিত সিঙে জি পি সিঙৰ পৰা দায়িত্ব গ্ৰহণ কৰে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ পৰিপ্ৰেক্ষিতত হৰমিত সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব দিয়া হৈছে। আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি নৱনিযুক্ত আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অসম আৰক্ষীৰ পৰিকল্পনা সন্দৰ্ভত এনেদৰে কয়-

**ঃবাইটঃ**

আৰক্ষী সঞ্চালক প্ৰধান হিচাপে জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙৰ কাৰ্যকালৰ অন্তিমটো দিনত আজি চতুৰ্থ অসম আৰক্ষী বাহিনীৰ পেৰেড গ্ৰাউণ্ডত বিদায় অভিবাদন জনোৱা হয়। আৰক্ষীৰ শীৰ্ষ বিষয়াগৰাকীৰ বিদায় অভিবাদন পেৰেডত আৰক্ষীৰ আঠটা প্লেটুনে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যৰ প্ৰতিখন জিলাৰ আৰক্ষী অধীক্ষকো উপস্থিত থাকে। এই অনুষ্ঠানত বিদায়ী আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে অসম আৰক্ষীৰ প্ৰতিজন বিষয়া জোৱানকে আৰক্ষী হোৱাৰ পূৰ্বে সদায় এজন ভাল মানুহ হিচাপে কাম কৰাৰ আহ্বান জনায়। লগতে ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙক শুভকামনা জনায়। অসম এৰাৰ পূৰ্বে বিদায়ী আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে কামাখ্যা মন্দিৰ দৰ্শন কৰে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীৰ কাৰ্যকালৰ অন্তিম দিনটোত পুৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ বাসগৃহলৈ গৈ বিদায় জনোৱাৰ লগতে নতুন দায়িত্বৰ বাবে শুভকামনা জনায়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম আৰক্ষীৰ বিদায়ী সঞ্চালক প্ৰধান জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধানৰ দায়িত্বভাৰ গ্ৰহণৰ পূৰ্বে কালি আনুষ্ঠানিকভাৱে বিদায় জনায়। শ্ৰী আচাৰ্যই সঞ্চালক প্ৰধানগৰাকীক নতুন দায়িত্ব নিৰ্বাহৰ পূৰ্বে অভিনন্দন জ্ঞাপন কৰে। ৰাজভৱনত কালি আয়োজিত অনুষ্ঠানত কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত আছিল।

০০০০০০০

বজালী জিলাৰ পাঠশালাত পৰহিলৈৰ পৰা হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বজালীৰ ভট্টদেৱ ক্ষেত্ৰত পাঁচদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকি ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে। অধিৱেশনৰ লগত সংগতি ৰাখি আজি পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয় আৰু কেইবাগৰাকী ব্যৱসায়ীয়ে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক আৰ্থিক বৰঙণিৰ চেক প্ৰদান কৰে।

০০০০০০

অসম সাহিত্য সভাই কাইলৈ পুৱা চাৰে ১১ বজাত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ লক্ষীৰাম বৰুৱা সদনত সভাৰ এই বছৰৰ সমাৱৰ্তন অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানতে প্ৰাচ্যতত্ববিদ বিশিষ্ট সাহিত্যিক, অধ্যাপক থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকালৈ সদস্য মহীয়ান সন্মান আগবঢ়োৱা হ'ব। একেটা অনুষ্ঠানতে গৱেষক, সাহিত্যিক, অধ্যাপক আনন্দ বৰমুদৈ, বিশিষ্ট সাহিত্যিক, অধ্যাপক ইদ্ৰিছ আলী, বিশিষ্ট ভাষাবিদ, অধ্যাপক ভীমকান্ত বৰুৱা আৰু গৱেষক সাহিত্যিক, অধ্যাপক কৰবী ডেকা হাজৰিকাক সাহিত্যচাৰ্য সন্মানেৰে বিভূষিত কৰা হ'ব। বিশিষ্ট কবি সাহিত্যিক আনিছ উজ জামানক জাতীয় কবি উপাধি প্ৰদান কৰা হ'ব। সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত হ'বলগীয়া অনুষ্ঠানত সাহিত্যিক হৰেকৃষ্ণ ডেকা মুখ্য অতিথি ৰূপে আৰু কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে অসমক বিনিয়োগৰ থলী আৰু দেশৰ শীৰ্ষৰ ৰাজ্যসমূহৰ অন্যতমৰূপে গঢ়ি তোলাৰ লক্ষ্যত অটল হৈ আছে। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতিৰ বুজ লৈ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা কোম্পানী বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে আসন্ন এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ ৫ খন সহযোগী ৰাষ্ট্ৰ আৰু এই বিনিয়োগ সন্মিলনত অংশগ্ৰহণ কৰিবলগীয়া বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ উদ্যোগপতিসকলৰ সৈতে এই লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হ'ব। তেওঁ লগতে এডভাণ্টেজ আছাম সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে বিষদ পৰিকল্পনা আৰু কৌশল ৰূপায়ণ সুনিশ্চিত কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। পৰ্যালোচনা বৈঠকত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাৰ সিং, উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত ঐনাম চৰণ কুমাৰ সিং আৰু বিভাগৰ আন ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰত বুঢ়িৰ পো গোবিন্দ আতৈৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ পৰ্যটন বিভাগৰ সৌজন্যত আৰু ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা তিনিদিনীয়াকৈ মধুপুৰ উৎসৱ আৰম্ভ হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়ানৰ পৱিত্ৰ তীৰ্থভূমি কোচবিহাৰৰ মধুপুৰ সত্ৰত পালন কৰা এই উৎসৱৰ জৰিয়তে মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতিক বিশ্বমুখী কৰাৰ প্ৰয়াস কৰা হৈছে। এই উৎসৱৰ সময়ছোৱাত অসম আৰু পশ্চিম বংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰৰ উপৰি চুবুৰীয়া ৰাজ্যখনৰ ভকত-বৈষ্ণৱে গুৰু দুজনাৰ কৰ্মৰাজিৰ বিষয়ে আলোচনাত মিলিত হয়। এই উৎসৱৰ সময়ত প্ৰভাত ফেৰী, সাংস্কৃতিক শোভাযাত্ৰা, ৰাষ্ট্ৰীয় আলোচনাচক্ৰ, ধৰ্মালোচনী সভা আৰু ভাওনা প্ৰদৰ্শন কৰা হয়। এই উৎসৱতে মালা নিৰ্মালী প্ৰদান কৰি বুঢ়াসত্ৰীয়া আৰু ডেকা সত্ৰীয়া পদত অধিস্থিত কৰা হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ নেহৰু পাৰ্কত দিল্লীত বাস কৰা প্ৰবাসী অসমীয়াসকলৰ সৈতে **ভোগালীৰ এক জীপাল সন্ধিয়া** শীৰ্ষক অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পৰিদৰ্শনকালত শ্ৰীমল্লক সংগ দিয়ে।

০০০০০০০

অসম গাঁওৰক্ষী সংগঠনৰ আজি ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৪৯ চনত হৰি নাৰায়ণ বৰুৱাৰ নেতৃত্বত গঢ় লৈ উঠা এই সংগঠনটোৱে ৰাজ্যত আইন-শৃংখলা আৰু শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম আৰক্ষী চকীত আয়োজিত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত আৰক্ষী চকীটোৰ ভাৰপ্ৰাপ্ত বিষয়া বুছিং বেৰে হৰি নাৰায়ণ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। পাছত থানাৰ উপদেষ্টা কমিটীৰ সভাপতি পৰেশ চন্দ্ৰ ৰায়ে পতাকা উত্তোলন কৰে।

০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে আজি বাক্সা জিলাত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মহিলা আৰু শিশু বিকাশ বিভাগৰ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাত বেটী বাচাও বেটী পঢ়াও, পোষণ অভিযান, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, মিছন বাৎসল্য, আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকে ধৰি বিভাগৰ বিভিন্ন আঁচনি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। জিলাখনত এই আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। শ্ৰীমতী নেওগে সংহত শিশু বিকাশ সেৱাৰ অধীনৰ জিলা পৰ্যায়ৰ সমিতিসমূহৰ কাম-কাজৰো খতিয়ান লয়। তেওঁ লগতে জিলাখনৰ বুনবাৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰটোত শিশুৰ বাবে থকা ব্যৱস্থাসমূহৰ বুজ লয়।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোগামুখ বাদুলোকাত ঝুমুৰ নৃত্যৰ চাৰিদিনীয়া কৰ্মশালা উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ উদ্যোগত ২০ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত প্ৰায় ৮ হাজাৰ শিল্পীয়ে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰি বিশ্ব অভিলেখ গঢ়িবলৈ চলোৱা প্ৰয়াসৰ অংশ হিচাপে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত অনুষ্ঠিত এই কৰ্মশালাত জোনাই, চিলাপথাৰ, মাছখোৱা, ধেমাজি, গোগামুখৰ বৰদৈ বাগান আৰু গাঁৱৰ নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

দিহিংচাং বহুমুখী সমবায় সমিতি লিমিটেডৰ উদ্যোগত আজিৰে পৰা ডিব্ৰুগড়ৰ টিংখঙৰ ৰাজগড় জিলা পৰিষদ ভৱনত বাণিজ্যিক ফুল খেতিৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। এই শিবিৰত বিশেষজ্ঞ সকলে ফুল খেতিৰ আধুনিক পদ্ধতি, প্ৰজাতিৰ বাছনি, চাহিদা অনুযায়ী উৎপাদন বৃদ্ধি, বজাৰ সংযোগ আদি গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে বিষদভাৱে আলোচনা কৰিব। মন্ত্ৰী বিমল বৰাই উৎসাহী ব্যক্তিসকলক এই শিবিৰত যোগদান কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

অসম আৰক্ষীয়ে যোৱানিশা বিশেষ অভিযান চলাই প্ৰায় ৩ কোটি টকা মূল্যৰ মাদকদ্ৰব্য জব্দ কৰে। কাৰ্বি আংলং আৰক্ষীয়ে বোকাজানৰ অমৰাজানত এখন বাহনৰ পৰা ৭৪৫ গ্ৰাম হেৰ'ইন জব্দ কৰে আৰু এই সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা হেৰ'ইনখিনিৰ মূল্য প্ৰায় ২ কোটি হ'ব বুলি অনুমান কৰা হৈছে। ইপিনে, নগাঁও আৰক্ষীয়ে যোৱানিশা বৰঘাট বাইপাছত এখন বাহন ৰখাই বাহনখনৰ পৰা ১৯ হাজাৰৰো অধিক ডাইক্ল'মাইন হাইড্ৰ'ক্লৰাইড কেপচুল জব্দ কৰে। এই কেপচুলখিনিৰ মূল্য ১ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত তিনিজন লোকক আটক কৰিছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কালাপানী আৰক্ষীৰ এটা দলে ডুবকাটা অঞ্চলত যোৱানিশা অভিযান চলাই ৯২০টা নিচাজাতীয় কেপচুল আৰু নগদ ৫ হাজাৰ ২২ টকা জব্দ কৰে। আৰক্ষীয়ে লগতে আলী বাবু নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা শিক্ষা বিভাগৰ সহযোগিতাত আজি সোণাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে যুৱ সংসদৰ আয়োজন কৰা হয়। এই যুৱ সংসদত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে ভাগ লোৱা কেইবাখনো মহাবিদ্যালয়ৰ অধ্যাপকসকলে ছাত্ৰ-ছাত্ৰীসকলক সংসদৰ গুৰুত্ব আৰু গৰিমা, সংসদীয় কাৰ্য প্ৰণালী আৰু বিভিন্ন নিয়মাৱলী সন্দৰ্ভত ব্যৱহাৰিক আভাস দিয়ে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলক সংসদত কেনেদৰে বিধেয়ক উত্থাপন কৰা হয়, প্ৰশ্নোত্তৰ শিতান কেনেদৰে পৰিচালিত হয় সেই বিষয়টো অনুশীলন কৰোৱা হয়। এই যুৱ সংসদত সোণাৰী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চৰাইদেউ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিণ্টি শৰ্মাৰ উপৰি সোণাৰী মহাবিদ্যালয়, মৰাণ মহাবিদ্যালয়কে ধৰি ভালেমান বিদ্যালয়ৰ অধ্যাপক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত আজি জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধীনত চলি থকা কাম-কাজসমূহৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ অভিযন্তাসকলৰ সৈতে হোৱা আলোচনাত গুণগত মান অটুট ৰাখি ক্ষিপ্ৰতাৰে বান আৰু খহনীয়া প্ৰতিৰোধী কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত বান নিয়ন্ত্ৰণৰ বাবে ৰাজ্যত নিৰ্মাণ কৰিবলগীয়া জলাশয়সমূহৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃত্ৰিম বান ৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বান আৰু খহনীয়া ব্যৱস্থাপনা সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া, জলসম্পদ বিভাগৰ সচিব আৰু মুখ্যমন্ত্ৰী অভিযন্তাৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০০

উদ্যান শস্য আৰু খাদ্য প্ৰ-সংস্কৰণ বিভাগৰ সঞ্চালক নৃপেন দাস আৰু সহকাৰী সঞ্চালক কুমুদ হালৈয়ে আজি মাজুলী জিলাৰ কৃষি ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে মাজুলীৰ ভকতচাপৰি, শ্ৰীৰাম চাপৰি, মুদৈবিল, দেউৰীপাম আৰু কাৰ্গিল চাপৰিৰ ভিন কৃষি ক্ষেত্ৰ পৰিদৰ্শন কৰি কৃষকসকলক যাৱতীয় দিহা-পৰামৰ্শও আগবঢ়ায়। পৰিদৰ্শনকালত সঞ্চালক দুগৰাকীক জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা কৃষি বিষয়া নাছেৰ ইকবাল ৰেজাৰ উপৰি কেইবাগৰাকী বিষয়া-কৰ্মচাৰীয়ে সংগ দিয়ে।

০০০০০০

গুৱাহাটী ক্ৰীড়া সন্থা আৰু ক্ৰীড়া সঞ্চালকালয়ৰ উদ্যোগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ৭০ সংখ্যক সংস্কৰণ আজি আৰম্ভ হৈছে। ৩৫ খন জিলাক সামৰি অনুষ্ঠিত এই প্ৰতিযোগিতাত ২৮০টা ক্লাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰতিযোগিতাত মুঠ ৬০৫ খন খেল অনুষ্ঠিত হ'ব। জিলা পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ পাছত ছটা ক্লাষ্টাৰত পৰৱৰ্তী খেলসমূহ অনুষ্ঠিত হ'ব। ৰাজ্যৰ বিভিন্ন স্থানত আজি জিলা পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হয়। কামৰূপ মহানগৰ পৰ্যায়ৰ প্ৰথম খেলত এফ চি গ্ৰীণ ভেলীয়ে অসম আৰক্ষীক ১-০ গ'লত পৰাস্ত কৰে। একেদৰে বৰপেটাৰ জিলা পৰ্যায়ৰ প্ৰথমখন খেলত বাৰাডি ফুটবল ক্লাবে নৰৰূপ ক্লাবক ২-০ গ'লত পৰাভূত কৰে। ডিফুত হোৱা কাৰ্বি আংলং জিলাৰ প্ৰথমখন খেলত হাণ্টাৰ্ছ ফুটবল ক্লাবে অ'ভ ছিংথুৰ ফুটবল ক্লাবক ৪-০ গ'লত পৰাস্ত কৰে। তামুলপুৰ উচ্চতৰ মাধ্যমিক খেলপথাৰত অনুষ্ঠিত পাটকিজুলি মাইনাও ক্লাব আৰু গোৰেশ্বৰ টাউন ফুটবল ক্লাবৰ মাজৰ প্ৰথমখন খেল ১-১ গ'লত অমীমাংসিতভাৱে সামৰণি পৰে। মঙলদৈৰ সোণালিপামত অনুষ্ঠিত বৰদলৈ ট্ৰফীৰ প্ৰথমখন খেলত চিৰ সেউজী সংঘই মুদৈবড়ি জোংলাবড়ি ক্লাবক ৪-১ গ'লত পৰাস্ত কৰে।

০০০০০০০

ৰাজ্যৰ ছোৱালীৰ বীচ্চ হেণ্ডবল দলে উত্তৰাখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে আজি কোৱাৰ্টাৰ ফাইনেলত মহাৰাষ্ট্ৰক ০-২ ফলাফলত পৰাস্ত কৰে।

০০০০০০

**সমাপ্ত**